Under CSR Support by
ipca | Foundation

শিক্ষাৰ অধিকাৰ
সৰ্বশিক্ষা অভিযান, অসম
সকলোৱে পঢ়ো সকলোৱে আগবাঢ়ো







নৱম শ্ৰেণীৰ পাঠ্যপুথি

ৰাজনীতি বিজ্ঞান

পাঠ - ১

ভাৰতৰ ৰাজনৈতিক দল

অংশ-৩

বনজিৎ নাথ

Under CSR Support by
ipca | Foundation

শিক্ষাৰ অধিকাৰ
সৰ্বশিক্ষা অভিযান, অসম
সকলোৱে পঢ়ো সকলোৱে আগবাঢ়ো

মৰ্চা চৰকাৰ

- সাধাৰণ নিৰ্বাচনত পৰ্যাপ্ত সংখ্যাগৰিষ্ঠতাৰ অভাৱত যেতিয়া এটা দলে চৰকাৰ গঠনত ব্যৰ্থ হয় তেতিয়া কেইবাটাও দলে একগোট হৈ চৰকাৰ গঠন কৰে।
- এনে চৰকাৰক মিত্রজোঁট বা মিত্রজোঁট চৰকাৰ বুলি জনা যায়।
- এই মিত্রদলসমূহে নিজৰ আদৰ্শ আৰু স্বাৰ্থৰ সৈতে আপোচ কৰি এক উমৈহতীয়া গ্রহণযোগ্য চৰকাৰী কাৰ্যসূচী গঠন কৰে।

Under CSR Support by
ipca | Foundation

শিক্ষাৰ অধিকাৰ
সৰ্বশিক্ষা অভিযান, অসম
সকলোৱে পঢ়ো সকলোৱে আগবাঢ়ো

মিত্রজোঁটৰ চৰকাৰী ব্যৱস্থাটোৱে বৰ্তমান সময়ত বিশেষ তাৎপর্য্য লাভ কৰাৰ আঁৰৰ কাৰণসমূহ এনেধৰণৰ —

(১) ৰাজনৈতিক দলৰ সংখ্যা বৃদ্ধি।

(২) একক ৰাজনৈতিক দলৰ তাৎপর্য্য হ্রাস ।

Under CSR Support by
ipca | Foundation

শিক্ষাৰ অধিকাৰ
সৰ্বশিক্ষা অভিযান, অসম
সকলোৱে পঢ়ো সকলোৱে আগবাঢ়ো

(৩) চৰকাৰ গঠনত জটিলতাই দেখা দিলে পুনৰ নিৰ্বাচন পাতি চৰকাৰী ধনৰ অপব্যয় নহবলৈ মিত্রজোঁটৰ চৰকাৰ গঠন কৰে।

(৪) এনে মৰ্চা চৰকাৰ বা মিত্রজোঁটৰ চৰকাৰ গঠনত বিভিন্ন অঞ্চলৰ সঠিক প্রতিনিধিত্বই প্রাধান্য লাভ কৰে।

Under CSR Support by
ipca | Foundation

শিক্ষাৰ অধিকাৰ
সৰ্বশিক্ষা অভিযান, অসম
সকলোৱে পঢ়ো সকলোৱে আগবাঢ়ো

ভাৰতীয় মিত্রজোঁট চৰকাৰৰ ইতিহাস আৰু গঠন—

- ভাৰতত মিত্রজোঁটৰ চৰকাৰৰ ধাৰণাটো বৰ পুৰণি নহয়।
- ভাৰতীয় জাতীয় কংগ্রেছে ১৯৪৭ চনৰ পৰা ১৯৬৭ চনলৈকে একদলীয় শাসন বজাই ৰাখিছিল।
- একদলীয় শাসনৰ বিকল্প হিচাপে মিত্রজোঁটৰ চৰকাৰ গঠনৰ আৱির্ভাৱ ঘটিল।

Under CSR Support by
ipca | Foundation

শিক্ষাৰ অধিকাৰ
সৰ্বশিক্ষা অভিযান, অসম
সকলোৱে পঢ়ো সকলোৱে আগবাঢ়ো

- ১৯৭৭ চনত জনতা দলৰ প্ৰধানমন্ত্ৰী পদত প্ৰথমখন মিত্ৰজোঁটৰ চৰকাৰ গঠন হয়।
- ১৯৭৯ চনত জনতা দলৰ চৰকাৰৰ পতন ঘটি চৌধুৰী চৰণ সিঙৰ অধীনত আন এখন চৰকাৰ গঠন হয়।
- অৱশ্যে এই চৰকাৰো বেছি দিন জীয়াই নাথাকিল।
- যদিও ইয়াৰ পিছৰ দুটা নিৰ্বাচনত ভাৰতীয় জাতীয় কংগ্ৰেছে পুনৰ ক্ষমতা দখল কৰিবলৈ সক্ষম হৈছিল।

Under CSR Support by
ipca | Foundation

শিক্ষাৰ অধিকাৰ
সৰ্বশিক্ষা অভিযান, অসম
সকলোৱে পঢ়ো সকলোৱে আগবাঢ়ো

- তথাপিও ১৯৮৯ চনৰ পৰা ২০১৪ চনলৈকে মিত্রজোঁট চৰকাৰে কেন্দ্রত শাসন কৰি থাকিল।
- ২০১৪ চনৰ মাৰ্চ মাহত অনুষ্ঠিত হোৱা সাধাৰণ নিৰ্বাচনত ভাৰতীয় জনতা পাৰ্টিয়ে নিৰপেক্ষ সংখ্যাগৰিষ্ঠতা লাভ কৰিছে।
- নৰেন্দ্র মোডীৰ প্রধানমন্ত্রী পদত ২০১৪ চনৰ ২৬ মে'ত বিজেপি চৰকাৰ গঠন হৈছিল।

Under CSR Support by
ipca | Foundation

শিক্ষাৰ অধিকাৰ
সৰ্বশিক্ষা অভিযান, অসম
সকলোৱে পঢ়ো সকলোৱে আগবাঢ়ো

- এই পৰিৱৰ্তনৰ লগে লগে ডঃ মনমোহন সিঙৰ নেতৃত্বত ইউ পি এ চৰকাৰ (মিত্রজোঁট) ৰ অন্ত পৰিল আৰু তাৰ দ্বাৰা পুনৰ কেন্দ্রত এটা দলীয় শাসন আৰম্ভ হ'ল।
- ভিন্ন সময় আৰু ভিন্ন অনুষ্ঠানত কেন্দ্রত শাসন কৰা বিভিন্ন মিত্রজোঁটৰ চৰকাৰসমূহ হ'ল —
  - সংযুক্ত গণতান্ত্রিক মৰ্চা (United Progressive Alliance- UPA) আৰু
  - ৰাষ্ট্রীয় গণতান্ত্রিক মৰ্চা (National Democratic Alliance-NDA) ইত্যাদি।

Under CSR Support by
ipca | Foundation

শিক্ষাৰ অধিকাৰ
সৰ্বশিক্ষা অভিযান, অসম
সকলোৱে পঢ়ো সকলোৱে আগবাঢ়ো

১। মৰ্চা চৰকাৰৰ দোষ

১. অস্থিৰ আৰু অল্পকালীন
২. দুৰ্বল চৰকাৰ
৩. যিকোনো দীৰ্ঘ সময়ৰ আঁচনি গ্ৰহণ কৰাত অসুবিধা
৪. সদস্য দলসমূহৰ উচ্চাকাংক্ষা
৫. জাতীয় স্বাৰ্থৰ প্ৰতি ভাবুকি
৬. ব্যয়বহুল

Under CSR Support by
ipca | Foundation

শিক্ষাৰ অধিকাৰ
সৰ্বশিক্ষা অভিযান, অসম
সকলোৱে পঢ়ো সকলোৱে আগবাঢ়ো

অস্থিৰ আৰু অল্পকালীন —

- মিত্রজোঁট চৰকাৰৰ আটাইতকৈ ডাঙৰ দোষটো হ'ল ইয়াৰ অস্থিৰতা।
- চৰকাৰ গঠনৰ বাবে মিত্রজোঁট গঠন কৰা দলসমূহে যেতিয়াই তেওঁলোকৰ দলীয় স্বার্থত আঘাত হয় তেতিয়াই চৰকাৰৰ পৰা সমর্থন প্রত্যাহাৰ কৰিব পাৰে।
- ফলত চৰকাৰৰ স্বাভাৱিক কার্যকাল সম্পূর্ণ কৰাৰ আগতেই পতন হোৱাটো নিশ্চিত।

Under CSR Support by
ipca | Foundation

শিক্ষাৰ অধিকাৰ
সৰ্বশিক্ষা অভিযান, অসম
সকলোৱে পঢ়ো সকলোৱে আগবাঢ়ো

দুৰ্বল চৰকাৰ —

- মিত্রতাৰ চৰকাৰ সাধাৰণতে দুৰ্বল বুলি কোৱা হয়।
- এনে চৰকাৰে কোনো দিশতে আগবাঢ়ি যাবলৈ সাহসী সিদ্ধান্ত ল'ব নোৱাৰে কাৰণ সদস্য দলসমূহৰ স্বাৰ্থক ভালদৰে সন্তুষ্ট কৰি ৰাখিবলৈ উপযুক্ত বিবেচনা কৰিব লাগিব।

Under CSR Support by
ipca | Foundation

শিক্ষাৰ অধিকাৰ
সৰ্বশিক্ষা অভিযান, অসম
সকলোৱে পঢ়ো সকলোৱে আগবাঢ়ো

যিকোনো দীর্ঘ সময়ৰ আঁচনি গ্রহণ কৰাত অসুবিধা —

- যিহেতু মিত্রজোঁটৰ চৰকাৰ ইয়াৰ অস্তিত্বৰ সম্পর্কত দুর্বল আৰু অনিশ্চিত, সেয়েহে কার্যকৰীকৰণৰ বাবে কোনো দীর্ঘদিনীয়া ব্যৱস্থা আৰু আঁচনি গ্রহণ কৰিব নোৱাৰি।

Under CSR Support by
ipca | Foundation

শিক্ষাৰ অধিকাৰ
সৰ্বশিক্ষা অভিযান, অসম
সকলোৱে পঢ়ো সকলোৱে আগবাঢ়ো

সদস্য দলসমূহৰ উচ্চাকাংক্ষা —

- চৰকাৰ গঠনৰ বাবে মিত্রজোঁট গঠন কৰা সদস্য ৰাজনৈতিক দলসমূহ বহুতো অভিলাষী ৰাজনৈতিক নেতাৰে গঠিত যাৰ একমাত্র লক্ষ্য বেছিভাগ সময়তে ৰাজনৈতিক লাভালাভ।
- এনে ক্ষমতা প্রচাৰক ৰাজনৈতিক নেতাৰ স্বার্থপৰতাই শেষত চৰকাৰখনক জনবিৰোধী কৰি তোলে।

Under CSR Support by
ipca | Foundation

শিক্ষাৰ অধিকাৰ
সৰ্বশিক্ষা অভিযান, অসম
সকলোৱে পঢ়ো সকলোৱে আগবাঢ়ো

জাতীয় স্বার্থৰ প্রতি ভাবুকি —

- মিত্রজোঁটৰ চৰকাৰ গঠন কৰিবলৈ হ'লে কেতিয়াবা সংকীর্ণ আৰু আঞ্চলিক বিবেচনাৰ লগতে কিছুমান সাম্প্রদায়িক শক্তিকো অগ্রাধিকাৰ দিব লাগে।
- ফলত জাতীয় স্বার্থ প্রভাৱিত হোৱাৰ আশংকা সৰ্বাধিক।

Under CSR Support by
ipca | Foundation

শিক্ষাৰ অধিকাৰ
সৰ্বশিক্ষা অভিযান, অসম
সকলোৱে পঢ়ো সকলোৱে আগবাঢ়ো

ব্যয়বহুল —

- এনে মিত্রজোঁটৰ চৰকাৰ সাধাৰণতে ব্যয়বহুল বিষয় বুলি ধৰা হয়।
- মিত্রজোঁটৰ সকলো গঠনমূলক ৰাজনৈতিক দলক সন্তুষ্ট কৰিবলৈ হ'লে মন্ত্রালয়ত বহু সংখ্যক আকাংক্ষীক স্থান দিব লাগে আৰু অপ্রয়োজনীয়ভাৱে মন্ত্রালয়ৰ আকাৰ অতিমাত্রা হৈ পৰে যাৰ ফলত ৰাজহুৱা ধনৰ বৃহৎ লোকচান হয়।

Under CSR Support by
ipca | Foundation

শিক্ষাৰ অধিকাৰ
সৰ্বশিক্ষা অভিযান, অসম
সকলোৱে পঢ়ো সকলোৱে আগবাঢ়ো

২। মৰ্চা চৰকাৰৰ গুণ

১। পৰিস্থিতি আৰু সময় সাপেক্ষ
২। অন্বেচ্চাচাৰী চৰকাৰ
৩। আঞ্চলিক প্ৰতিনিধিত্ব
৪। জাতীয় ঐক্য সংহতি ৰক্ষা
৫। ৰাজহুৱা ধনৰ অপব্যৱহাৰ হ্ৰাস

Under CSR Support by
ipca | Foundation

শিক্ষাৰ অধিকাৰ
সৰ্বশিক্ষা অভিযান, অসম
সকলোৱে পঢ়ো সকলোৱে আগবাঢ়ো

১। পৰিস্থিতি আৰু সময় সাপেক্ষ —

- মৰ্চা চৰকাৰ পৰিস্থিতি আৰু সময় সাপেক্ষ।
- পৰিৱৰ্তিত ৰাজনৈতিক পৰিৱেশ আৰু পৰিস্থিতিত মৰ্চা চৰকাৰ গঠন ভাৰতবৰ্ষৰ দৰে বৃহৎ গণতান্ত্রিক ৰাষ্ট্ৰ এখনত সুস্থিৰতা বজাই ৰখাৰ ক্ষেত্ৰত অতীৱ প্ৰয়োজন।

Under CSR Support by
ipca | Foundation

শিক্ষাৰ অধিকাৰ
সৰ্বশিক্ষা অভিযান, অসম
সকলোৱে পঢ়ো সকলোৱে আগবাঢ়ো

২। অস্বেচ্চাচাৰী চৰকাৰ —

- একক দলীয় চৰকাৰে প্ৰায়ে নিৰপেক্ষ সংখ্যাগৰিষ্ঠতাৰ বাবে স্বৈৰাচাৰীতাক আশংকা কৰে।
- এনে চৰকাৰে সংখ্যাগৰিষ্ঠতাৰ বাবে প্ৰায়ে জনবিৰোধী কামত লিপ্ত হয়।

Under CSR Support by
ipca | Foundation

শিক্ষাৰ অধিকাৰ
সৰ্বশিক্ষা অভিযান, অসম
সকলোৱে পঢ়ো সকলোৱে আগবাঢ়ো



- মিত্ৰজোঁটৰ চৰকাৰসমূহে সিদ্ধান্ত গ্ৰহণৰ ক্ষেত্ৰত সকলো পক্ষকে জড়িত কৰি এনে আশংকা পৰিহাৰ কৰে।
- ইয়াৰ ফলত ক্ষমতাৰ অপব্যৱহাৰ আৰু স্বৈৰাচাৰী হোৱাৰ ভয় কম।

Under CSR Support by
ipca | Foundation

শিক্ষাৰ অধিকাৰ
সৰ্বশিক্ষা অভিযান, অসম
সকলোৱে পঢ়ো সকলোৱে আগবাঢ়ো

৩। আঞ্চলিক প্ৰতিনিধিত্ব —

- একদলীয় চৰকাৰতকৈ মৰ্চা চৰকাৰত বিভিন্ন অঞ্চল আৰু জাতি-গোষ্ঠীয়ে প্ৰতিনিধিত্ব কৰাৰ অধিক সুযোগ লাভ কৰে।
- মৰ্চাত অংশগ্ৰহণকাৰী বিভিন্ন আঞ্চলিক পৰ্যায়ৰ দলবিলাকে তেওঁলোকৰ স্থানীয় সমস্যাসমূহ সমাধান কৰাৰ অধিক সুবিধা পায়।

Under CSR Support by
ipca | Foundation

শিক্ষাৰ অধিকাৰ
সৰ্বশিক্ষা অভিযান, অসম
সকলোৱে পঢ়ো সকলোৱে আগবাঢ়ো

৪। জাতীয় ঐক্য সংহতি ৰক্ষা —

- মৰ্চা চৰকাৰে বিভিন্ন ৰাজনৈতিক দলক এখন মজিয়ালৈ অনাৰ ফলত দলবিলাকে নিজা নীতি-আদৰ্শত কঠোৰভাৱে লাগি নাথাকি বুজাবুজিৰে কাম কৰে।
- ফলত জাতীয় ঐক্য-সংহতি বৃদ্ধি হয়।

Under CSR Support by
ipca | Foundation

শিক্ষাৰ অধিকাৰ
সৰ্বশিক্ষা অভিযান, অসম
সকলোৱে পঢ়ো সকলোৱে আগবাঢ়ো

৫। ৰাজহুৱা ধনৰ অপব্যৱহাৰ হ্ৰাস —

- এটা নিৰ্বাচন অনুষ্ঠিত হৈ যোৱাৰ পিছত চৰকাৰ গঠনত জটিলতা আহিলে দেশে আকৌ এটা নিৰ্বাচনৰ সন্মুখীন হ'ব লগা হয়।
- এনে পৰিস্থিতিত কম দিনৰ ব্যৱধানত আন এটা নিৰ্বাচনৰ সন্মুখীন হোৱাৰ পৰা মৰ্চা চৰকাৰ গঠনে দেশক ৰক্ষা কৰে।
- এইদৰে মৰ্চা চৰকাৰ গঠনৰ প্ৰক্ৰিয়াই ৰাজহুৱা ধনৰ অপব্যয় ৰোধ কৰে।



❖ শুদ্ধ উত্তৰটো বাছি উলিওৱা ঃ

১। ভাৰতত প্ৰথমখন মিত্ৰজোঁটৰ চৰকাৰ গঠন হয় –

ক) ১৯৪৭ চনত

খ) ১৯৭৭ চনত

গ) ১৯৭৯ চনত

ঘ) ১৯৬৭ চনত



❖ খালী ঠাই পূৰ কৰা ঃ

১। ইউ পি এ (UPA)ৰ সম্পূৰ্ণ ৰূপটো হ'ল .....।

উত্তৰ- United Progressive Alliance

মূল্যায়ন



- হয়/নহয় লিখা —

১। সংযুক্ত চৰকাৰৰ ব্যৱস্থাটোৱে বৰ্তমান সময়ত বিশেষ গুৰুত্ব লাভ কৰিছে।



উত্তৰ- হয়।